প্ৰশ্ন:-> 'অসমীয়া গল্প সাহিত্যলৈ আৱাহনৰ অৱদান'- এই শীৰ্ষক এটি আলোচনা আগ-বঢ়োৱা। (২০১৬)

অথবা

আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্য উল্লেখ কৰি কেইগৰাকীমানৰ গল্পকাৰৰ সাহিত্যিক অৱদানৰ বিষয়ে আলোচনা কৰা।

উত্তৰ:-> ১৯২৯ চনত 'আৱাহন' কাকতে কলিকতাত জন্ম লাভ কৰে। অসমীয়া গল্প সাহিত্যৰ সমৃদ্ধি আৰু বিকাশ সাধনত আৱাহন কাকতৰ অৱদান অবিস্মৰণীয়। 'জোনাকী'ত জন্ম লাভ কৰা অসমীয়া গল্প সাহিত্যই 'আৱাহন' কাকতত এটা নতুন মাত্ৰা লাভ কৰিলে। বিষয়বস্তু, গঠনশৈলী, ৰীতি, বিন্যাস প্ৰণালী, চৰিত্ৰ চিত্ৰণ, ভাষা প্ৰয়োগ আদি ক্ষেত্ৰত আৱাহনৰ গল্পই নতুনত্ব লাভ কৰিলে। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত 'ৰোমান্টিক ভাৱবিলাসৰ উন্মাদনা, কল্পনাৰ মুক্তগতি, ভাষাৰ সূক্ষ্ম ব্যঞ্জনা, মনস্তাত্ত্বিক বিশ্লেষণ আৰু প্ৰগতিশীল ৰীতি 'আৱাহন'ৰ গল্পবোৰসকলৰ ৰচনাত দেখা যায়'।

'আৱাহন' যুগৰ গল্পৰ বৈশিষ্ট্য:

১। উন্নত নৈতিক মানৱতাবাদী দৃষ্টিভংগীয়ে অসমীয়া চুটিগল্পক বাস্তৱবাদী কৰি তুলিছিল।

২। সামাজিক চেতনা প্ৰখৰ আৰু সমাজৰ প্ৰতি দায়বদ্ধতা স্পষ্ট।

৩। ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতি সদিচ্ছা আৰু প্ৰবল জাতীয়তাবোধৰ প্ৰকাশ।

৪। ৰোমান্টিক ভাৱাদৰ্শৰ প্ৰসাৰ।

৫। মনো বিশ্লেষণাত্মক, ফেণ্টাছিবিমী, ৰোমান্টিক বাস্তৱবাদ, চেতনাস্ৰোত আদি বিভিন্ন ভাৱধাৰাৰ প্ৰভাৱ।

৬। প্ৰগতিশীল চিন্তাধাৰাৰ আৰম্ভণি।

৭। মুক্তিৰ উন্মাদনা, কল্পনাৰ স্বতন্ত্ৰতা।

৮। নতুন শব্দ সম্ভাৰ, নতুন ৰচনা ৰীতিৰে ভাষা হৈ পৰিছিল সমৃদ্ধ।

৯। প্ৰাচীন সাধুকথাৰ ৰচনা ৰীতি নতুন ৰূপত প্ৰকাশ।

১০। ব্যক্তিৰ ওপৰত গুৰুত্ব, ব্যক্তিজীৱনৰ দৈহিক সমস্যাৰ ওপৰত গুৰুত্ব।

১১। পাশ্চাত্য গল্প লিখক ফ্ৰয়েড, মোপাছাঁ, চেকভ; লগতে পাশ্চাত্যৰ ৰবীন্দ্ৰনাথৰ প্ৰভাৱ আদি।

## 'আৱাহন' যুগৰ গল্পকাৰ সকলৰ অৱদান:

'আৱাহন'ত গল্প ৰচনা কৰি সু-প্ৰতিষ্ঠিত হোৱা গল্পকাৰ সকলৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, হলিৰাম ডেকা, লক্ষ্মীধৰ শৰ্মা, মহীচন্দ্ৰ বৰা, বীণা বৰুৱা, ড: হেম বৰুৱা, ত্ৰৈলোক্য নাথ গোস্বামী, ৰমা দাস, কৃষ্ণ ভূঞা, ৰাধিকা গোস্বামী, দীননাথ শৰ্মা, প্ৰবোধ গোস্বামী,

জমিৰুদ্দিন আহমেদ, নকুল চন্দ্ৰ ভূঞা, আদিৰ নাম উল্লেখযোগ্য।

আৱাহন কালছোৱাৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'সোণৰী' গল্পৰে গল্পলেখক হিচাপে আত্মপ্ৰকাশ কৰা 'নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ প্ৰকাশিত গল্প পুথিখন হল 'বীণাৰ ঝংকাৰ' আৰু 'নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প'। চৌধুৰীয়ে তেওঁৰ গল্পত প্ৰচলিত আচাৰ, নীতি বিশ্বাস, সন্দেহ, সংশয় আদিৰ জৰিয়তে সমকালীন অসমৰ জীৱনৰ নানা দিশ ফুটাই তুলিছে। মহীমালতী, অসৱৰ্ণ আইন, দুমী, ধুমি, বীৰবাল, লোভ, ৰসীতৰা, প্ৰতিভা, ভাগ বাটোৱাৰা আদি তেওঁৰ উল্লেখযোগ্য গল্প।

এই যুগৰ গল্পকাৰ হলিৰাম ডেকাৰ বিয়া বিভ্ৰাট, যোদ্ধাৰ, পাৰ্বতীৰ চিঠিৰ বহলা ঘৰ, দ্বিতীয় পক্ষ, কেমছুন, ভাগ্যলিপি, উদ্দীপনা আদি উল্লেখযোগ্য গল্প। সাৱলীল ভাষাৰে কোনো ঘটনা বা চৰিত্ৰ উদঙোৱাকৈ তুলি ধৰাটোৱেই তেওঁৰ গল্পৰ বৈশিষ্ট্য।

লক্ষ্মীধৰ শৰ্মাৰ গল্প পুথি হল 'ব্যৰ্থতাৰ দান'। চিৰাচৰিত ৰীতিনীতি আৰু আচৰণৰ বিৰুদ্ধে শৰ্মাৰ বিদ্ৰোহ তেওঁৰ গল্পত ফুটিছে। তেওঁৰ চিৰাগ, পৰাজয়, ব্যৰ্থতাৰ দান, আদি উল্লেখযোগ্য গল্প। শৰ্মাৰ গল্পৰ গঠন কৌশল চৰিত্ৰৰ অন্তৰ্দ্বন্দ্বৰ জীৱনৰ প্ৰতিফলন আৰু কৰুণ ৰসানুভূতি সংপৃক্ত গভীৰ জীৱনবোধেই উল্লেখযোগ্য বৈশিষ্ট্য।

আৱাহন যুগৰ উল্লেখযোগ্য গল্পকাৰ মহীচন্দ্ৰ বৰাৰ গল্পপুথি হল 'উকীলৰ পুত্ৰ ৰহস্য'

তেওঁৰ 'কেৰাণীৰ কপাল', 'চৰ্যেৰ বিল', 'অভ্যাস', 'চাকলোঁ' আদি উল্লেখনীয় গল্প। তেওঁৰ গল্পত সামাজিক অন্যায় নির্যাতন, অবহেলা আৰু অনাদৰেৰে পীড়িত নৰ-নাৰীৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগীৰ সন্ধান পোৱা যায়।

এই সময়ছোৱাৰ প্ৰসিদ্ধ গল্পকাৰ বীনা বৰুৱাৰ (বিৰিঞ্চিকুমাৰ বৰুৱা) গল্পপুথি যেনে হ'ল 'পাটপৰিৱৰ্তন' আৰু 'আঘোণী বাই', বৰুৱাৰ জনসংখ্যা, আমৰ প্ৰবেশ নিষেধ, পাটপৰিৱৰ্তন, আঘোণীবাই, আদি উৎকৃষ্ট গল্প। প্ৰেম প্ৰীতিবিষয়ৰ তেওঁৰ সৰহভাগ গল্পৰ প্ৰধান উপজীব্য। চৰিত্ৰক চোলা-ৰ পটভূমিত থিয় কৰাই ঘটনা আৰু কাৰ্যৰ মাজেৰে দ্বন্দ্ব উপস্থিত কৰাত আৰু তাৰ যোগেদি চৰিত্ৰৰ মানসিক অৱস্থাৰ আভাস দিব পৰাত বীনা বৰুৱাৰ কৃতিত্ব।

আবাহন কাকতৰ ভিতৰতে প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰ ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পপুথি যেনে হ'ল — অহল্যা, শিল্পীৰ জন্ম, মৰীচিকা, জীৱনৰ পীয়াপুই আৰু গল্পসংগ্ৰহ। গোস্বামীৰ গল্পত ~~কৈ~~ নিপীড়িত নির্যাতিত, শোষিত বঞ্চিত চৰিত্ৰ গভীৰ সহানুভূতিৰে অংকন কৰা হৈছে। পতিত আৰু পতিতা, দুটকীয়া নোট, পাৰাভঙ্গ, আদি তেওঁৰ উৎকৃষ্ট গল্প।

ৰমা দাসৰ গল্পপুথিসমূহ হ'ল — 'জাহ্নবী', 'বৰ্ষা যেতিয়া নামে' আৰু 'ৰমা দাসৰ শ্ৰেষ্ঠ গল্প'। ~~[illegible]~~ কল্পনাৰ আধিক্য দাসৰ গল্পৰ বৈশিষ্ট্য। সেইদৰে ৰাধিকামোহন গোস্বামীৰ 'নিয়তি', 'ছেট ট্ৰেন্সপৰ্ট', 'দেৱতাৰ সমাধি', আদি উল্লেখযোগ্য গল্প। তেওঁৰ

গল্প সমূহৰ মাজেৰে সমাজ- সচেতনতা আৰু আদৰ্শবাদী দৃষ্টিভংগীৰ প্ৰকাশ পাইছে ।

আৱাহন যুগৰ আন আন গল্পকাৰ সকলৰ ভিতৰত উমাকান্ত শৰ্মাৰ 'টুকা এটা মন' ঘুৰীয়া পৃথিৱীৰ দুৰ্বল পাখ', জমিৰুদ্দিন আহমেদৰ 'প্ৰেৰিণা', 'আল্লাৰ নিশাৰ ফুই'; প্ৰবোধ চন্দ্ৰ গোস্বামীৰ 'বকুল মেতিয়া সৰে'; দীননাথ শৰ্মাৰ 'কল্পনা আৰু বাস্তৱ', 'দুলাল', 'পোহৰ' 'কোৱাৰেঙ্গীয়া ওঁঠৰ তলত', হেম বৰুৱাৰ 'চপনীয়া', 'নৰসিংহ', 'মোতঘাত মন'; উমেশবোৰ গল্পপুথি । এই সময়ছোৱাতে ভীমনাথ শৰ্মা, প্ৰদীপ দেৱি, মুনীন বৰকটকী, সদানন্দ দাস, আদি গল্পকাৰ সকলৰ অৱদানেও অসমীয়া গল্পসাহিত্যক সমৃদ্ধ কৰি তোলাত যথেষ্ট বৰঙণি যোগাইছে ।

গতিকে দেখা যায় যে অসমীয়া চুটিগল্পক বৈচিত্ৰ্যপূৰ্ণ সম্ভাৰেৰে সমৃদ্ধ কৰি তোলাত আৱাহন যুগৰ চুটিগল্পকাৰ সকলৰ ভূমিকা চিৰস্মৰণীয় ।।